समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



সপ্তম শ্ৰেণীৰ বাবে

অংকুৰণ

পাঠ - ২

কালিকা লগা পাট-কাপোৰ

অংশ – ৩

অংগৰাগ ভূঞা

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। তলৰ শব্দবোৰৰ অর্থ বাকচৰ পৰা বাছি উলিয়াই লিখা।

সুসজ্জিত, ধনী, সুঠাম আৰু দেখিবলৈ
ধুনীয়া, বহুত, চলি থকা।

প্রচলিত — চলি থকা

দেখনিয়াৰ — সুঠাম আৰু দেখিবলৈ ধুনীয়া

চহকী — ধনী

সুশোভিত — সুসজ্জিত

সৰহ — বহুত

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

খ- ভাষা অধ্যয়ন (ব্যৱহাৰিক ব্যাকৰণ)


৫। তলৰ দফাটো পঢ়ি উপযুক্ত স্থানত যতি, বিৰাম চিহ্ন বহুওৱা।

এই কাণ্ড দেখি ঘৈণীয়েকে মন্ত্রষাৰ উচ্চাৰণ কৰিবলৈ পাহৰি, কি কৰিলা ও বুলি চিঞৰ মাৰি কাপোৰখনত হাত দিলে লগে লগে তায়ো এজনী চৰাইৰ ৰূপ পালে তেতিয়াৰে পৰা গিৰিয়েকজন হৈ পৰিল

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

মতা ম'ৰা চৰাই আৰু ঘৈণীয়েকজনী হৈ পৰিল মাইকী ম'ৰা চৰাই। মতাটোৰ পাখি বেছি জকমকীয়া, কাৰণ সেই কাপোৰখনৰ সৰহভাগ তাৰ নেজ আৰু পাখিত লাগি ৰ'ল।



- জীয়েক - জোঁৱায়েকে কাপোৰখন সযত্নে ৰাখিলে ।
- এটা মন্ত্ৰ নপঢ়াকৈ কাপোৰখনত কোনোবাই হাত দিলে চকুৰ পচাৰতে সি চৰাইলৈ ৰূপান্তৰিত হ'ব।
- জীয়েক আৰু জোঁৱায়েক ঘৰৰ গৰাকী হ'ল।

ওপৰৰ বাক্য কেইটাত ডাঙৰ হৰফৰ পদকেইটাই কিবা কাম (কার্য) হোৱা বা কৰা বুজাইছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

এনেদৰে —

যি পদে কোনো কাম (কার্য) সম্পাদন কৰা বা নকৰা বুজায় তাক ক্রিয়াপদ বোলে।

ক্রিয়াপদ দুবিধ : সমাপিকা আৰু অসমাপিকা ক্রিয়া।

যি ক্রিয়াই বাক্য সম্পূর্ণ কৰে, তাক সমাপিকা ক্রিয়া বোলে। যেনে—

(১) জীয়েক-জোঁৱায়েকে কাপোৰখন সযত্নে ৰাখিলে।

(২) এটা মন্ত্ৰ নপঢ়াকৈ কাপোৰখনত কোনোবাই হাত দিলে চকুৰ পচাৰতে সি চৰাইলৈ ৰূপান্তৰিত হ'ব।

ওপৰৰ বাক্যটোত ডাঙৰ হৰফেৰে লিখা 'নপঢ়াকৈ' আৰু 'দিলে' পদ দুটাই সম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰিব পৰা নাই।

এনেদৰে, যি ক্ৰিয়াই বাক্যৰ অৰ্থ সম্পূৰ্ণ কৰিব নোৱাৰে, সেই ক্ৰিয়াক অসমাপিকা ক্ৰিয়া বোলে।

৬। পাঠটো ভালদৰে পঢ়ি দুটাকৈ সমাপিকা আৰু অসমাপিকা ক্ৰিয়াযুক্ত বাক্য বাকচটোত ভৰোৱা।

সমাপিকা ক্ৰিয়া	অসমাপিকা ক্ৰিয়া

৬। পাঠটো ভালদৰে পঢ়ি দুটাকৈ সমাপিকা আৰু অসমাপিকা ক্ৰিয়াযুক্ত বাক্য বাকচটোত ভৰোৱা।

সমাপিকা ক্ৰিয়া	অসমাপিকা ক্ৰিয়া
আচিক দেশত এজন বৰ চহকী মানুহ আছিল।	কাপোৰখন বৰষুণত তিতা দেখি গিৰিয়েকে ঘৈণীয়েকক চিঞৰি মাতিলে।
কেইবছৰমানৰ পাছত চহকী মানুহজন আৰু তেওঁৰ ঘৈণীয়েক ঢুকাল।	এই কাণ্ড দেখি ঘৈণীয়েকে মন্ত্ৰষাৰ উচ্চাৰণ কৰিবলৈ পাহৰি 'কি কৰিলা ঔ' বুলি চিঞৰ মাৰি কাপোৰখনত হাত দিলে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৭। তলৰ বাক্যত থকা সমাপিকা আৰু অসমাপিকা ক্ৰিয়া বাছি উলিয়াই তলৰ বাকচত লিখা।

- মই ঘৰলৈ যাম।
- ৰাতি মই অকলে বাহিৰলৈ নাযাওঁ।
- পুৱা শুই উঠি মই বকুল ফুল বুটলিম।
- মা-দেউতাই সদায় খবৰ কাগজ পঢ়ে।
- স্কুলৰ পৰা আহি মই কিছুপৰ টি ভি চাওঁ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- মই ঘৰলৈ যাম।
- ৰাতি মই অকলে বাহিৰলৈ নাযাওঁ।
- পুৱা শুই উঠি মই বকুল ফুল বুটলিম।
- মা-দেউতাই সদায় খবৰ কাগজ পঢ়ে।
- স্কুলৰ পৰা আহি মই কিছুপৰ টি ভি চাওঁ।

সমাপিকা ক্ৰিয়া	অসমাপিকা ক্ৰিয়া
যাম বুটলিম চাওঁ পঢ়ে	উঠি আহি

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

গ - জ্ঞান সম্প্রসাৰণ

➲ পাঠত থকা 'আচিক', 'চিতৰী' আৰু 'চেকে' শব্দ তিনিটা গাৰো শব্দ। আচিকৰ অর্থ পাহাৰীয়া লোক, চিতৰীৰ অর্থ ম'ৰা চৰাই আৰু চেকে শব্দটোৰ অর্থ জাকৈ।





समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

➲ আমাৰ অসমত বিভিন্ন ধৰণৰ মাছ মৰা সঁজুলি আছে। এই সঁজুলিবোৰৰ বিভিন্ন নাম। যেনে- জাকৈ, বৰশী, চেপা, পল, জাল, খোকা আদি। তেনেদৰে মাছ থ'বলৈ ব্যৱহৃত সঁজুলি খালৈ। বেছিভাগ সঁজুলিৰেই বাঁহেৰে নিৰ্মিত। অসমত অঞ্চলভেদে এই সঁজুলিবোৰৰ নাম বেলেগ বেলেগ হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



৮। পুৰণি কালত তোমাৰ ককা-আইতাৰাহঁতে কাপোৰ-কানি, বাচন-বৰ্তন পেৰাত ভৰাই থৈছিল। তোমালোকে কাপোৰ-কানি, বাচন-বৰ্তন ক'ত থোৱা, তাৰ এখন তালিকা প্ৰস্তুত কৰা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৯। ছবিখনত দিয়া সঁজুলিকেইবিধৰ নাম লিখি সেইবোৰ আমি কি কি কামত ব্যৱহাৰ কৰোঁ লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ঘ - প্ৰকল্প

১০। বাতৰি কাকতৰ শিশু পৃষ্ঠা/শিশু আলোচনী/গল্প পুথি পঢ়ি তাৰ পৰা এটা গল্প স্পষ্ট আখৰেৰে কাগজত লিখিবা। লগতে গল্পটোৰ পৰা কি শিকিলা সেই বিষয়ে লিখি ডাঠ কাগজত লগাই শ্ৰেণী কক্ষত আৰি থোৱা। গল্পটোৰ লগত সংগতি থকা দুটামান চিত্ৰও লগাই দিবা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১১। অসমৰ শিপিনীয়ে তাঁত-শালত কি কি কাপোৰ বয়, তাৰ এখন তালিকা প্ৰস্তুত কৰা।

